# অৱতৰণিকা

মানুহ সামাজিক জীৱশ্ৰেষ্ঠ প্ৰাণী। ঈশ্বৰ প্ৰদত্ত এই ধুনীয়া পৃথিৱীখন যেতিয়াৰ পৰা সৃষ্টি হৈছে তেতিয়াৰ পৰাই মানুহ, সমাজ, জীৱন ধাৰণৰ প্ৰণালী, ৰীতি-নীতি, ভাৱ-ভাষা ইত্যাদি বিষয়বস্তুৰো প্ৰচলন হৈছে। আদিতে মানুহ বৰ্ব্বৰ আছিল। কাপোৰ পিন্ধিব নাজানিছিল, খাব নাজানিছিল, সকলো বস্তু কেঁচাই খাইছিল। কিন্তু লাহে লাহে মানুহ সভ্য হ'ল। সমাজ পাতি বাস কৰিব জনা হ'ল। লগে লগে ভাৱ-ভাষা, নিয়ম-নীতি, আদিৰ লগত তেওঁলোক পৰিচিত হ'ল। ক্ৰমশঃ ঠাই বিশেষে, জাতি বিশেষে, সংস্কৃতি বিশেষে, সমাজ বিশেষে, ব্যক্তি বিশেষে ভাষাৰ সৃষ্টি হ'ল। লাহে লাহে সভ্যতাৰ জখলাও ওপৰলৈ উঠি গৈ থাকিল আৰু ভাষা-সাহিত্য সংস্কৃতিয়েও পৰিবৰ্তন লাভ কৰি বৰ্তমান আজিৰ এই অৱস্থা প্ৰাপ্ত হৈছে। ভাৱ অনুভূতিৰ গতিধাৰাৰ বিশেষত্ব আৰু প্ৰৱলতাই বহুসময়ত মানুহক নতুন কৰ্মৰ প্ৰতি ধাউতি জন্মায়। এই ধাউতিতে ভাষা আৰু সাহিত্যৰ নতুন চিন্তা চৰ্চ্চাৰ উন্মেষ ঘটে। ভাষা আৰু সাহিত্য এটা মুদ্ৰাৰ ইপিঠি আৰু সিপিঠি। জাতীয় জীৱনৰ লগত ভাষা সাহিত্যৰ ওতঃপ্ৰোত সম্বন্ধ। পৃথিৱীৰ প্ৰত্যেক জাতিৰে একোটা নিজস্ব ভাষা থকা দেখিবলৈ পোৱা যায় আৰু এই ভাষাতেই সেই জাতিৰ সাহিত্যই ঠন ধৰি উঠে। ড° সত্যেন্দ্ৰ নাথ শৰ্ম্মাদেৱে তেখতৰ 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' নামৰ গ্ৰন্থত কৈছে যে ভাষা বৃক্ষৰ সাহিত্য সৌৰভময় পুষ্পস্বৰূপ। জাতীয় সাহিত্য হ'ল সেই জাতিটোৰ সুখ-দুখ, হাঁহি-কান্দোন, ভাৱ-কল্পনা, আশা-নিৰাশা আদিৰ প্ৰকাশৰ থল। সাহিত্য হৈছে এটা জাতিৰ দাপোণ স্বৰূপ। দাপোণত নিজৰ চেহেৰা যেনেদৰে চাব পাৰি ঠিক তেনেদৰে এটা জাতিৰ শিক্ষা-সংস্কৃতি, শাৰীৰিক, মানসিক, বৌদ্ধিক,

সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, ঐতিহাসিক আদি সকলো দিশৰে প্ৰতিচ্ছবি প্ৰতিফলিত হয় সাহিত্যৰ যোগেদি। সংস্কৃতত এষাৰ কথা আছে 'গোষ্পদে নভোমণ্ডলম'। অৰ্থাৎ গৰুৰ খোজত জমা হোৱা পানীখিনিত গোটেই বিশ্ব ব্ৰহ্মাণ্ড খন দেখাৰ দৰে সাহিত্যত উন্মোচিত হয় এটা জাতিৰ সকলো দিশ, সকলো সপোন। আৰৌ সেই সাহিত্যকে আগবঢ়াই নিয়ে ভাষাই। ভাষা মানুহৰ আটাইতকৈ মূল্যবান আৰু গুৰুত্বপূৰ্ণ সম্পদ। ভাষা হ'ল মানুহৰ এনে এক অনন্যসুলভ বৈশিষ্ট্য যি মানুহক আন প্ৰাণীৰ পৰা পৃথক কৰি এক উচ্চস্থান প্ৰদান কৰে। মনৰ ভাব আদান-প্ৰদানৰ অবিহনে মানুহৰ পাৰস্পৰিক সম্পৰ্ক গঢ়ি উঠা অসম্ভৱ। ভাষাই ইজনৰ পৰা আনজনৰ ওচৰলৈ মনৰ ভাব কঢ়িয়াই লৈ যায়। মনৰ ভাৱবোৰ আদান-প্ৰদান কৰাতেই সৃষ্টি হয় সাহিত্য।

সাহিত্য শব্দ সহিতম্ শব্দৰ পৰা আহিছে; যাৰ অৰ্থ হৈছে সংগতি বা মিলন। এই মিলন শব্দ আৰু অৰ্থ মিলনৰ ফলশ্ৰুতিতে সাহিত্যৰ সৃষ্টি। এটাৰ অভাৱত আনটোৱে কেতিয়াও পৰিপূৰ্ণতা নাপায়। শব্দ হৈছে ভাৱৰ বাহক আৰু সাহিত্যৰ বাহিৰৰ শৰীৰ অংশ। সমাজত বাসকৰা মানুহৰ দুখ-সুখ, হাঁহি-কান্দোন, যাতনা, আনন্দ, আশা-আকাংক্ষা ইত্যাদি চিত্ৰ সাহিত্যত প্ৰতিফলিত কৰিব লাগিলে শব্দৰ আশ্ৰয় ল'বই লাগিব। শব্দহীন ভাৱৰ স্থান সাহিত্যত নাই আৰু ভাৱহীন শব্দৰ সাৰ্থকতাও নাই। মানুহৰ বাহ্যিক অথবা অন্তৰ জগতৰ সকলো অভিব্যক্তি শব্দৰ মাজেদিয়ে প্ৰকাশ পায়। সেইবাবে বোধহয় বহু আলংকাৰিক পণ্ডিতে শব্দৰ ওপৰতে অধিক গুৰুত্ব দিয়া পৰিলক্ষিত হয়। শব্দ আৰু অৰ্থৰ মিলনৰ ভিত্তিতেই সাহিত্য-বিদ্যা প্ৰতিষ্ঠিত। দুয়োটাৰে সম্পৰ্ক কায়া আৰু ছাঁয়াৰ দৰে। সাহিত্য সামগ্ৰিক শব্দ। ই গদ্য-পদ্য উভয়কে বুজায়, ইয়াৰ পৰিসৰ অতি বহল আৰু অনিশ্চিত। সাহিত্য হ'বলৈ হ'লে ই মানৱ জীৱনৰ লগত সম্পৰ্ক থকা আৰু গঠনযুক্ত হ'ব লাগিব। হাড্‌চনৰ মতে, সেইবোৰ গ্ৰন্থই কেৱল সাহিত্য, যিবোৰৰ বিষয়বস্তু আৰু তাৰ প্ৰয়োগ সাধাৰণতে মানৱধৰ্মী হয় আৰু দ্বিতীয়তে যিবোৰৰ আকৃতিগত উপাদানে যোগোৱা

আনন্দ বিশেষে প্ৰয়োজনীয় হৈ পৰে। সাহিত্য সৃষ্টিৰ বাবে আত্মপ্ৰকাশৰ কামনা, পৰস্পৰৰ লগত সংযোগ কামনা, বাস্তৱ জগত আৰু কল্পনা জগতৰ প্ৰতি আগ্ৰহ, ৰূপকল্পপ্ৰিয়তা আদিৰ অতীব প্ৰয়োজন। সাহিত্যৰ সৃষ্টি হয় জীৱনৰ পৰা। গতিকে জীৱন যিমানেই বিচিত্ৰ হয় সিমানেই সাহিত্যও বৈচিত্ৰময় হয়। গতিকে সাহিত্যৰ এটা থুলমুল ধাৰণা পোৱা গ'ল। দেখা গ'ল যে ভাষাৰ সৃষ্টি নোহোৱাকৈ সাহিত্য সৃষ্টি হ'ব নোৱাৰে। ভাষাই যেতিয়া বিভিন্ন ভাৱ-অনুভূতি আৰু অৱস্থা প্ৰকাশ কৰিব পৰা শক্তি আহৰণ কৰে উচ্চাৰণ কৰা বিভিন্ন ধ্বনি বুজাবলৈ সাংকেতিক চিন সৃষ্টি কৰি লিখাৰ পদ্ধতি প্ৰবৰ্তন কৰে, ঠিক তেতিয়াৰ পৰাহে সাহিত্যৰ প্ৰকৃত বুৰঞ্জী আৰম্ভ হোৱা বুলি ক'ব পাৰি। তেনেহ'লে আমাৰ মনত এটা প্ৰশ্নই ভুমুকি মাৰে যে ভাষাৰ লিখিত ৰূপ পোৱাৰ আগতে তেনেহ'লে কোনো সাহিত্যৰ সৃষ্টি হোৱা নাছিল নেকি? উত্তৰস্বৰূপে দেখা যায় যে ভাষাৰ লিখিত ৰূপ পোৱাৰ আগতে কিছুমান মুখে মুখে প্ৰচলিত গীত-মাত, সাধুকথা, কিংবদন্তী আদিৰ প্ৰচলন আছিল। প্ৰত্যেক জাতিৰে সাহিত্যই লিখিত ৰূপ পোৱাৰ আগতে মৌখিক গীত-মাত, সাধুকথা, ফকঁৰা-যোজনা, ইত্যাদিৰ প্ৰচলন হোৱা পৰিলক্ষিত হয়। অসমীয়া ভাষাতো তেনেধৰণৰ লোকগীত, সাধুকথা, প্ৰবচন, ফকঁৰা-যোজনা ইত্যাদিৰ বোধ হয় প্ৰচলন আছিল। সেইবাবে লিখিত সাহিত্য পোৱাৰ পাছতো গাঁৱলীয়া হোজা নিৰক্ষৰ লোকসকলৰ মুখে মুখে আজিও তাৰ প্ৰচলন অব্যাহত থকা দেখা যায়। মুখে মুখে প্ৰচলিত এই গীতবোৰকে লোক সাহিত্য বুলি কোৱা হয়। সাহিত্যৰ লগত যিহেতু প্ৰকৃতিৰ সম্বন্ধ অতি ঘনিষ্ঠ, লোক সাহিত্যৰ ক্ষেত্ৰতো এই সম্বন্ধ অতি প্ৰকট। লোক-সাহিত্যৰ ভিতৰত মানৱ জীৱনৰ যুগ যুগ সঞ্চিত অভিজ্ঞতা থুপ খাই আছে। লোক-সাহিত্য লোক বিশ্বাসৰ প্ৰতিচ্ছবি। লোক-সাহিত্য, সাহিত্য এইবোৰ একোটা ভাষাৰ চাক্ষুষ নিদৰ্শণ। গতিকে সাহিত্য, লোক-সাহিত্যৰ আগত ভাষাৰ জন্ম বৃতান্ত বা জন্ম লগ্ন জনাটো অতি প্ৰয়োজন।

ভাষা নোহোৱাকৈ সাহিত্য সৃষ্টি হ'ব নোৱাৰে। কিন্তু সাহিত্য নোহোৱাকৈ ভাষা থাকিব পাৰে। অসমীয়া ভাষাটো আৰ্য ভাষা সম্ভুত। আৰ্য সকল অসমত প্ৰৱেশ কৰাৰ আগতে মঙ্গোলীয় জাতিৰ বিভিন্ন গোষ্ঠী বিভিন্ন সময়ত অসমত প্ৰৱেশ কৰি নিগাজিকৈ থাকিব লয়। তাৰো আগত আমি অষ্ট্ৰিক গোষ্ঠীৰ লোক সকলেও বসবাস কৰা উমান পাওঁ। অষ্ট্ৰিক ভাষা-ভাষী লোকসকলে অসমলৈ আহি পোনপ্ৰথমে ধান খেতি কৰা, গো-পালন, পূৰ্বপূৰুষ সকলৰ স্মৃতিস্তম্ভ সংৰক্ষণ কৰা, আৰু জুম খেতি কৰিবলৈ লয়। আমি যদি মহাভাৰত, পুৰাণ আদিলৈ পৰ্যবেক্ষণ কৰো তেতিয়াহ'লেও প্ৰাগজ্যোতিষ ৰাজ্য কিৰাত ভূমিৰে বাসস্থান আছিল বুলি অনুমেয় হয়। এই সকল আদিম অধিবাসীৰ সংস্পৰ্শ কমসংখ্যক আৰ্য্য ভাষা-ভাষী খ্ৰীষ্টীয় প্ৰথম কেইশ বছৰত আহিবলৈ ধৰে। তেতিয়া তেওঁলোকৰ কথিত ভাষাও পৰিবৰ্তনৰ সোঁতত আগবাঢ়ে। গতিকে দেখা যায় যে ভাৰতীয় আৰ্য-ভাষা বিশেষেই ক্ৰম পৰিবৰ্তনৰ মাজেদি খ্ৰীষ্ট্ৰীয় একাদশ শতিকা মানত অসমীয়া ৰূপ লবলৈ আৰম্ভ কৰে। সেয়ে অসমীয়া ভাষা আৰ্য ভাষা সম্ভুত।

প্ৰত্যেক ভাষাৰে আকৌ উপভাষা আছে। যেতিয়া এটা ভাষা বিস্তৃত অঞ্চল বিয়পি পৰে তেতিয়া সেই অঞ্চলৰ বিশাল জনসমষ্টিয়ে সেই ভাষাটো ব্যৱহাৰ কৰিবলৈ লয়। ফলস্বৰূপে বিস্তৃত অঞ্চলত বিয়পি পৰা ভাষাটোৱে লাহে লাহে ধ্বনি, ৰূপ শব্দৰ ক্ষেত্ৰত ভিন ভিন ৰূপ ল'বলৈ আৰম্ভ কৰে। মূল ভাষাটোৰ আলম লৈ ভিন ভিন অঞ্চলত ভিন্ন ৰূপকে উপভাষা বুলি কোৱা হয়। অসমীয়া ভাষাটোৰো মুলতঃ দুটা উপভাষা পোৱা যায়। উজনিৰ উপভাষা আৰু নামনিৰ উপভাষা। নামনি উপভাষাৰো আকৌ কেইবাটাও আঞ্চলিক ৰূপ পোৱা যায়। যদিও উজনি আৰু নামনি দুটা মূলতঃ উপভাষা তথাপিও দুয়োটাৰে আকৌ ক্ষুদ্ৰ ক্ষুদ্ৰ আৰু কেইবাটাও আঞ্চলিক ৰূপ পোৱা যায়। নামনিত যেনেদৰে মধ্য অঞ্চল আৰু দক্ষিণ অঞ্চলৰ উপভাষা পোৱা যায়, ঠিক তেনেদৰে উজনি আৰু নামনিৰ মাজত অৱস্থিত নগাওঁ-মৰিগাঁৱৰ ভাষাৰ

মাজতো এটা সুকীয়া বৈশিষ্ট্য থকালৈ লক্ষ্য কৰি মধ্য অসমৰ উপভাষা বুলি ক'ব পাৰি। অৰ্থাৎ যেনেদৰে নামনি উপভাষাৰ কামৰূপী আৰু গোৱালপৰীয়া উপভাষা দুটাৰ স্থান পোৱা যায় ঠিক তেনেদৰে উজনি অঞ্চলৰ উপভাষাৰো দুটা ভাগ পোৱা যায়। এটা হৈছে শিৱসাগৰীয় আৰু আনটো নগাঁওৰ অৰ্থাৎ মধ্য অসমৰ ভাষা। এই অবিভক্ত নগাওঁ বৰ্তমানৰ মৰিগাওঁ জিলাৰ একেবাৰে পশ্চিম প্ৰান্তত অৱস্থিত মায়ং অঞ্চলৰ ভাষাৰ মাজতো বহুখিনি উপভাষাৰ সমল পোৱা যায়। মায়ং যেনেদৰে নামটোও মোহনীয়, আকৰ্ষণীয় ঠিক তেনেদৰে ইয়াত যথেষ্ট লোক সাহিত্যৰ সমল, ভাষাতাত্ত্বিক দিশ, লোক সংস্কৃতিৰ মেটমৰা ভৰাঁল সংৰক্ষিত হৈ থকা পৰিলক্ষিত হয়। ইয়াত যেন বহু আলোচনাৰ বিষয় নিহিত হৈ আছে। মাথো বিশ্লেষণকাৰী মানুহৰহে অভাৱ। যদি বিজ্ঞ লোকসকল এই ক্ষেত্ৰত আগবাঢ়ি আহে তেনেহ'লে ইয়াত লুপ্ত হ'বলৈ ধৰা বহু লোকসাহিত্যৰ সম্পদ, লোক সংস্কৃতিৰ সম্পদ অথবা ভাষাৰ দিশত থকা সুকীয়াত্ব সংৰক্ষিত হ'লহেঁতেন।

মায়ং অঞ্চলৰ উপভাষাৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু শব্দতাত্ত্বিক দিশৰ কথা ইয়াত আলোচিত হ'ব। ইয়াৰ লগে লগে এই অঞ্চলত প্ৰচলিত হৈ থকা লোক সাহিত্যৰ দিশৰ প্ৰতিও নজৰ দিয়া হ'ব। কাৰণ এটা জাতিৰ বা এখন ঠাইৰ ভাষাৰ আচল পৰিচয় দাঙি ধৰিব পাৰে সেই ঠাইখনৰ চুঁকে-কোণে প্ৰচলিত হৈ থকা লোক সাহিত্য সম্ভাৰে। আগতেই উনুকিয়াই অহা হৈছে যে ভাষা আৰু সাহিত্য এটা মুদ্ৰাৰ ইপিঠি সিপিঠি। আকৌ সাহিত্যৰ আদিম ৰূপ হৈছে লোক সাহিত্য।

মায়ং অঞ্চলত অনুস্বাৰ (ং) ধ্বনিৰ প্ৰয়োগ পদৰ অন্তত বেছি। আকৌ 'এ' ধ্বনিৰ ঠাইত 'অ' ধ্বনিৰ প্ৰয়োগ হোৱা দেখা যায়। যেনে- জীয়েক-জীয়ক ইত্যাদি। ঠিক তেনেকে ৰূপতাত্ত্বিকলৈ যদি চোৱা হয় তেনেহ'লে বহুবচনাত্মক প্ৰত্যয় মান-মন হোৱা দেখা যায়, যেনে- কেইটা-কেইটামন (মায়ং)। এনেকুৱা বহু উদাহৰণ মান্য অসমীয়াতকৈ ইয়াত বেলেগ হোৱা পৰিলক্ষিত হয়। এনেকুৱা আলোচনাবোৰ বিশেষ

প্ৰয়োজনীয়। ঠিক তেনেকৈ প্ৰবাদ, প্ৰবচন, ফকঁৰা যোজনা, সাঁথৰ আদিত মান্য অসমীয়াত কৈ মায়ং অঞ্চলৰ ভাষাৰ মাজত কিছু সুকীয়া বৈশিষ্ট্য পৰিলক্ষিত হয়। আকৌ মায়ঙৰ লোকগীত, গীত, মাত, আইনাম, বিয়ানাম আদিতো ভাষাৰ কিছু সুকীয়া বৈশিষ্ট্য থকা দেখা যায়। এইবোৰৰ উপৰিও মায়ং যিহেতু বিভিন্ন জাতি উপজাতিৰে বাসস্থান, ইয়াত জনজাতি, বঙালী, হিন্দু, মুছলমান, কাৰ্বি আদি বিভিন্ন ভাষা-ভাষী লোকে বাস কৰে। সেইবাবে ইয়াৰ ভাষাৰ ওপৰত সেইবোৰৰ কিছু প্ৰভাৱ পৰা নিতান্তই স্বাভাৱিক। যিহেতু প্ৰত্যেক ভাষাৰে এটা ধাৰ কৰা প্ৰৱণতা দেখা যায়। প্ৰত্যেক ভাষাই পৃথিৱীৰ ধ্বনি, ৰূপ, শব্দ আদিৰ ক'ৰবাত নহয় ক'ৰবাত ধাৰ কৰেই। গতিকে মায়ঙৰ উপভাষাতো বঙালী বা কাৰ্বি আদি ভাষাৰ প্ৰভাৱ পাৰটো সাধাৰণ কথা।

ওপৰোক্ত এই আটাইবিলাক দিশ সামৰি আলোচনা কৰিবলৈ আমি প্ৰয়াস কৰিছো।